প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনি ৰূপায়ণ সম্পৰ্কত পৰ্যালোচনা সভা**

**"গাঁৱৰ মহিলা আইসকলক স্বনিৰ্ভৰশীল কৰি গাঁৱৰ অৰ্থনৈতিক বুনিয়াদ সুদৃঢ় কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা 'স্ব-নিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম' আঁচনিখন নিৰ্দ্ধাৰিত সময়ত কাৰ্যকৰী হ'বলৈ সকলো সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীয়ে মিছন মোডত কাম কৰিব লাগিব।"—মন্ত্ৰী দলে**

**গুৱাহাটী ১৫ অক্টোবৰ ঃ** "গাঁৱৰ মহিলা আইসকলক স্বনিৰ্ভৰশীল কৰি গাঁৱৰ অৰ্থনৈতিক বুনিয়াদ সুদৃঢ় কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা স্ব-নিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম আঁচনিখন নিৰ্দ্ধাৰিত সময়ত কাৰ্যকৰী হ'বলৈ সকলো সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীয়ে মিছন মোডত কাম কৰিব লাগিব।"—পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ কৰি থকা আঁচনিৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ লগতে নতুনকৈ গ্ৰহণ কৰা আঁচনি ৰূপায়ণৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী সম্পৰ্কে অৱগত কৰিবলৈ আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত পৰ্যালোচনা সভাত বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়। আঁচনি ৰূপায়ণত যাতে কোনো ক্ষেত্ৰতে সংযোগ বিচ্ছিন্ন নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। এই ক্ষেত্ৰত ক্ষেত্ৰীয় বিষয়াসকলক তেওঁলোকে সন্মুখীন হৈ থকা সমস্যাৰ বিষয়ে অৱগত কৰিবলৈও তেওঁ আহ্বান জনায় যাতে সেই সমস্যাসমূহ তৎকালীনভাৱে আতৰাব পৰা যায়। কোনো ক্ষেত্ৰতে কোনোৱে যাতে হেমাহি নকৰে তাৰ প্ৰতি নজৰ ৰাখি আগবাঢ়িব লাগিব বুলি উল্লেখ কৰি বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীৰ আন্তৰিকতাপূৰ্ণ, সক্ৰিয় তথা দায়বদ্ধতাপূৰ্ণ কৰ্তব্য সম্পাদনৰ মাধ্যমেৰে বিভাগে এই আঁচনিৰ জৰিয়তে গাঁৱৰ ছবি সলনি কৰাত বিশেষ ভূমিকা ল'ব পাৰিব বুলি দৃঢ়তা প্ৰকাশ কৰে।

সভাখনৰ উদ্দেশ্য সম্পৰ্কে বিশদ ব্যাখ্যা আগবঢ়াই বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাই বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত থকা আসোঁৱাহসমূহ আঙুলিয়াই দি এই আসোঁৱাহসমূহ মষিমূৰ কৰি আঁচনিৰূপায়ণ অধিক খৰতকীয়া কৰিবলৈ আহ্বান জনায়।

সভাত নতুনকৈ হাতত লোৱা 'স্ব-নিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম' আঁচনি ৰূপায়ণৰ পৰিকল্পনা আৰু প্ৰশিক্ষণ সম্পৰ্কত বিভাগৰ আয়ুক্ত হেমেন দাস আৰু ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক খগেশ্বৰ পেগুৱে বিশদ বিৱৰণ দাঙি ধৰে। সভাৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কৃষ্ণা বৰুৱাই।

উল্লেখযোগ্য যে বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত ১২ লাখ ৫৪ হাজাৰটা গ্ৰাম্য পৰিয়ালক মজুৰিভিত্তিক কৰ্মসংস্থানেৰে বিভাগে মহাত্মা গান্ধী এনৰেগাৰ জৰিয়তে ২.৯২কোটি কৰ্ম দিন সৃষ্টি কৰি ৬১৭.৭০ কোটি টকা মজুৰি আদায় দিবলৈ সক্ষম হৈছে। আনহাতে চলিত বিত্তীয় বৰ্ষত সম্পূৰ্ণ হোৱা ৭৮,৬২৩ টা আৱাসগৃহ ধৰি এতিয়ালৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত সৰ্বমুঠ ৩,৩০,৯০৪ টা গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। তেনেদৰে চতুৰ্দশ বিত্তীয় আয়োগৰ মঞ্জুৰিৰ অধীনত লাভ কৰা ৫১০১.৩৫ কোটি টকাৰ ভিতৰত এতিয়ালৈ ৩৯৫৬.৫৪ কোটি টকা ব্যয়েৰে ৭০,১৯৪ খন আঁচনিৰ কাম সম্পূৰ্ণ কৰাৰ বিপৰীতে ৩৯,৯৯৪ খন আঁচনিৰ কাম চলি আছে। তদুপৰি কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এতিয়ালৈ ক্ৰমে ১২,১১,২৫৯ আৰু ১,৬৪,৩৫২ গৰাকী হিতাধিকাৰী উপকৃত হৈছে। সেইদৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিয়ানৰ অধীনত চলিত বিত্তীয় বৰ্ষত এতিয়ালৈ ১,৮৪০টা আত্মসহায়ক গোট নতুনকৈ গঠন কৰাৰ বিপৰীতে ৮,৭৪৬ টা আত্মসহায়ক গোটে ঘূৰ্ণীয়মান পুঁজি আৰু ১,৫৫৫ টা আত্মসহায়ক গোটে সামূহিক বিনিয়োগ পুঁজি লাভ কৰিছে। আনহাতে ২০,৮০০ আত্মসহায়ক গোটে বেংক ঋণ লাভ কৰিছে।

আজিৰ পৰ্যালোচনা সভাত বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকল আৰু ৰাজ্যৰ প্ৰতিখন জিলাৰ বিভিন্ন বিভাগৰ মনোনীত বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/১৫-১০-২০২০*



পৰ্যালোচনা সভা
স্ব-নিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম
মাটি, আমাৰ খেতি, আমাৰ জীৱনৰ মূল ভেটি)
সম্পৰ্কত
১৫ অক্টোবৰ, ২০২০
সময় ঃ ১০ বজা
বিভাগ



পৰ্যালোচনা সভা
স্ব-নিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম
(আমাৰ মাটি, আমাৰ খেতি, আমাৰ জীৱনৰ মূল ভেটি)
আৰু
বিভাগৰ অন্যান্য আঁচনিসমূহৰ ৰূপায়ণ সম্পৰ্কত
স্থান ঃ শ্ৰী শ্ৰীমাধৱদেৱ প্ৰেক্ষাগৃহ, শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ | তাৰিখ ঃ ১৫ অক্টোবৰ, ২০২০ | সময় ঃ ১০ বজা


VACANT
VACANT



সভা
স্ব-নিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম
আমাৰ খেতি, আমাৰ জীৱনৰ মূল ভেটি)
ৰূপায়ণ সম্পৰ্কত
১৫ অক্টোবৰ, ২০২০
সময় ঃ ১০ বজা
বিভাগ, অসম


Source: Computer
(RGB)
No Signal